অধ্যায় ১ ঃ ভাৰতবৰ্ষত লোক প্ৰশাসনৰ বিৱৰ্তন

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ ভাৰতবৰ্ষত লোক প্ৰশাসনৰ বিৱৰ্তন
১.৩.১ প্ৰাচীন যুগত লোক প্ৰশাসনৰ বিৱৰ্তন
১.৩.২ মোগল যুগত লোক প্ৰশাসনৰ বিৱৰ্তন
১.৩.৩ বৃটিছ কালত লোক প্ৰশাসনৰ বিৱৰ্তন
১.৩.৪ স্বাধীনোত্তৰ ভাৰতবৰ্ষত লোক প্ৰশাসনৰ বিৱৰ্তন
১.৪ অধ্যায়টিৰপৰা আমি কি শিকিলো
১.৫ অধিক জানিবলৈ
১.৬ অগ্ৰগতিৰ খতিয়ান
১.৭ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতবৰ্ষত প্ৰাচীনকালত লোক প্ৰশাসনৰ কিদৰে বিৱৰ্তন হৈছে সেই সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতবৰ্ষত মোগল যুগত কিদৰে লোক প্ৰশাসনৰ বিৱৰ্তন হৈছে সেই সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতবৰ্ষত বৃটিছ কালত লোক প্ৰশাসনৰ বিৱৰ্তন কিদৰে হৈছে সেই সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতবৰ্ষত স্বাধীনোত্তৰ সময়ছোৱাত লোক প্ৰশাসনৰ কিদৰে বিৱৰ্তন হৈছে সেই সম্পৰ্কে সেই সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।

১.২ পৰিচয়

ভাৰতবৰ্ষত লোক প্ৰশাসনৰ যুগে যুগে বিৱৰ্তন হৈ আহিছে। ইতিহাসৰ প্ৰতিটো স্তৰে ভাৰতীয় লোক প্ৰশাসনৰ প্ৰকৃতি আৰু গাঁথনিৰ বিৱৰ্তনত অৰিহণা আগবঢ়াই আহিছে। ভাৰতৰ ৰাজতান্ত্ৰিক শাসন ব্যৱস্থাক ভাৰতবৰ্ষৰ লোক প্ৰশাসনৰ বিকাশৰ ক্ষেত্ৰত বিশেষভাৱে উল্লেখ কৰিব পাৰি। মৌৰ্য সাম্ৰাজ্যই ভাৰতৰ লোক প্ৰশাসনৰ প্ৰাৰম্ভিক সময়ছোৱাত প্ৰশাসনিক গাঁথনিৰ একত্ৰীকৰণত উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। পৰৱৰ্তী সময়ত, মোগলসকলে

ভাৰতবৰ্ষত এক পদ্ধতিগত প্ৰশাসনিক ব্যৱস্থা গঢ়ি তোলে। বৰ্তমান ভাৰতবৰ্ষত প্ৰচলিত প্ৰশাসনিক ব্যৱস্থা মূলতঃ বৃটিছ ঔপনিৱেশিক শাসন কালত প্ৰচলিত ব্যৱস্থাৰ অনুৰূপ অৰ্থাৎ স্বাধীনতাৰ পিছত ভাৰতবৰ্ষত গঢ় লৈ উঠা প্ৰশাসনিক গাঁথনিৰ মূল ভিত্তি হ'ল— বৃটিছ শাসন ব্যৱস্থা। স্বাধীন ভাৰতৰ প্ৰশাসনিক ব্যৱস্থাত যদিও বৃটিছসকলে ঔপনিৱেশিক ভাৰতবৰ্ষত প্ৰচলন কৰা অধিক সংখ্যক প্ৰশাসনিক ব্যৱস্থাই গ্ৰহণ কৰা হৈছিল তথাপিও ভাৰতীয় সংবিধানৰ লক্ষ্য আৰু উদ্দেশ্যে পৰৱৰ্তী সময়ত সেই প্ৰশাসনিক ব্যৱস্থাৰ কিছু পৰিৱৰ্তন কৰা হৈছিল।

১.৩ ভাৰতবৰ্ষত লোক প্ৰশাসনৰ বিৱৰ্তন

১.৩.১ প্ৰাচীন যুগত লোক প্ৰশাসনৰ বিৱৰ্তন

বৰ্তমান ভাৰতবৰ্ষত প্ৰচলিত প্ৰশাসনিক ব্যৱস্থা প্ৰাচীন ভাৰতৰ শাসন ব্যৱস্থাৰ পৰা উদ্ভৱ হয়। প্ৰাচীনকালত ভাৰতবৰ্ষত ৰজাই শাসন কৰিছিল আৰু এনে শাসন ব্যৱস্থা বৈশিষ্ট্যত ৰাজতান্ত্ৰিক পদ্ধতিৰ আছিল। চৰকাৰৰ কাৰ্য ৰূপায়নৰ ক্ষেত্ৰত ৰাজতান্ত্ৰিক ব্যৱস্থাৰ প্ৰচলন আছিল য'ত সকলো ক্ষমতা কেন্দ্ৰীভূত হৈ আছিল আৰু ৰজা একমাত্ৰ কৰ্তৃত্বশীল ব্যক্তি আছিল। এই সময়ত, প্ৰশাসনৰ সকলো ক্ষমতা একমাত্ৰ ৰজাৰ হাতত ন্যস্ত আছিল আৰু ৰজাক কিছু সংখ্যক পৰামৰ্শকে মহান কৰিছিল। এনে প্ৰশাসনৰ বিষয়ে ৰামায়ণ, মহাভাৰতৰ দৰে মহাকাব্যৰ উপৰিও মনুস্মৃতি আৰু শুক্ৰানীতিটো উল্লেখ পোৱা যায়। কৌটিল্যৰ 'অৰ্থশাস্ত্ৰ' হ'ল এক উল্লেখযোগ্য গ্ৰন্থ য'ত প্ৰাচীন প্ৰশাসনিক ব্যৱস্থাৰ বিষয়ে বিতংভাৱে উল্লেখ কৰা আছে। আচলতে, এই পৌৰাণিক ধৰ্মগ্ৰন্থ আৰু ৰাজনৈতিক গ্ৰন্থসমূহৰ পৰা আমি পৌৰাণিক প্ৰশাসনিক ব্যৱস্থাৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব পাৰো। বৈদিক যুগৰ আৰম্ভণি সময়ছোৱাত জনসাধাৰণে তেওঁলোকৰ মূৰব্বী বা প্ৰধানজনক নিৰ্বাচিত কৰিছিল আৰু প্ৰধানজনে তেওঁলোকৰ প্ৰশাসন পৰিচালিত কৰিছিল। মূৰব্বীজন জনজাতিটোৰ নিৰাপত্তাৰ বাবে দায়বদ্ধ আছিল আৰু তাত জনজাতিটোৰ বিভিন্ন দিশ পৰ্যালোচনাৰ বাবে সজা হৈছিল। কিন্তু তাত ভূমি অধিগ্ৰহণ নাইবা খাজানা সম্বন্ধীয় কোনো ব্যৱস্থা নাছিল। মনু (প্ৰকৃত নাম সত্যব্ৰত)ৰ সময়তে আমি প্ৰথমে 'ৰাষ্ট্ৰ'ৰ গঠন দেখিবলৈ পাও। হিন্দু ধৰ্মৰ মতে, মনু হ'ল প্ৰথম ৰজা আৰু হিন্দুত্ববাদৰ পূৰ্বসাধী। এই সময়ত ৰজাক ঈশ্বৰিক জ্ঞান কৰিছিল আৰু ৰজাই তেওঁৰ প্ৰজাবিলাকৰ যত্ন লোৱাৰ উপৰিও সকলোৰে উন্নয়ন লগতে ন্যায় সুনিশ্চিত কৰিব লাগিছিল। জনসাধাৰণৰ চোৱা-চিতা কৰাৰ কাৰণে ৰজাই সেৱা মাচুল আৰু সেৱা কৰ লাভ কৰিছিল। ৰামায়ণ, মহাভাৰত, মনুস্মৃতি আৰু শুক্ৰানীতিত উল্লেখ থকা মতে, প্ৰশাসক হিচাপে একমাত্ৰ ৰজাই স্বীকৃতি লাভ কৰে আৰু বিভিন্ন দক্ষতাসম্পন্ন পদাধিকাৰীয়ে ৰজাক বিভিন্ন কামত সহায় কৰে, উদাহৰণস্বৰূপে— পুৰোহিত, সেনানী,

ধন-ভঁৰালী, জাহাজ পৰিচালক, গুপ্তচৰ আৰু বাৰ্তাবাহক ইত্যাদি। ৰজা আছিল একমাত্ৰ সিদ্ধান্তকাৰী আৰু ন্যায় প্ৰদানকাৰী ব্যক্তি। সাধাৰণতে, সেইসময়ত কোনো আইনগত অনুষ্ঠান নাছিল। ন্যায় প্ৰদান কৰিবলৈ কিন্তু বিচাৰ ব্যৱস্থা অনুষ্ঠিত হৈছিল। সময় অতিক্ৰম কৰাৰ লগে লগে বিশেষকৈ বৈদিক যুগৰ শেষৰ সময়ছোৱাত ভাৰতীয় প্ৰশাসনে ক্ৰমান্বয়ে বিকাশ লাভ কৰে আৰু কৌটিল্যৰ অৰ্থশাস্ত্ৰত এই বিষয়ে স্পষ্ট ৰূপত প্ৰকাশ পায়।

ভাৰতবৰ্ষৰ প্ৰশাসনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ বিকাশ লাভ কৰে মৌৰ্য সময়ছোৱাত, য'ত প্ৰশাসন বিকেন্দ্ৰীকৰণ নীতিৰ ওপৰত ভিত্তি কৰি পৰিচালিত হয় আৰু সমগ্ৰ সাম্ৰাজ্য কিছুমান প্ৰদেশত, প্ৰদেশ আকৌ জিলাত জিলা আকৌ গাঁও আৰু নগৰত বিভক্ত কৰা হৈছিল। মৌৰ্য সাম্ৰাজ্য প্ৰদেশত বিভক্ত কৰি পৰৱৰ্তী পৰ্যায়ৰ প্ৰদেশসমূহ জিলাত বিভক্ত কৰা হৈছিল আৰু এইসমূহক অহৰ (ahars), ৰিশ্যা (vishyas), আৰু প্ৰদেশ (pradeshas) বুলি জনা গৈছিল। অশোকৰ শিলালিপিত উল্লেখ পোৱা যায় যে প্ৰদেশ বা জিলা যিটো নেকি মৌৰ্য সাম্ৰাজ্যৰ অন্যতম প্ৰশাসনিক গোট আছিল ইয়াৰ উন্নয়নৰ বাবে 'প্ৰদেশক' নিযুক্ত কৰা হৈছিল। জিলাসমূহে ইয়াৰ নীতি নিৰ্ধাৰণ আৰু ৰূপায়নৰ বাবে যথেষ্ট সংখ্যক স্বতন্ত্ৰতা লাভ কৰিছিল। ৰজা আছিল প্ৰশাসনৰ মূৰব্বী আৰু তেওঁৰ সকলো কাৰ্যত সহায় কৰিবলৈ মন্ত্ৰী পৰিষদ আছিল। ৰজাই মূলতঃ সামৰিক, ন্যায়িক, বিধায়িনী আৰু কাৰ্যপালিকাৰ ক্ষমতা ৰূপায়ন কৰিছিল। ৰজা আছিল জনসাধাৰণৰ অভিভাৱক আৰু তেওঁ জনসাধাৰণৰ যত্ন লৈছিল। প্ৰশাসনিক বা অসামৰিক বিষয়া সকলক মৌৰ্য বংশত 'আমত্য' (amatyas) বোলা হৈছিল। দেৱানী আৰু ফৌজদাৰী গোচৰৰ বিচাৰ কৰিবৰ বাবে আদালতৰ ব্যৱস্থা আছিল আৰু ইয়াক ধৰ্মস্থান বোলা হৈছিল। পৰৱৰ্তী কালত অনুৰূপ মডেলটি গুপ্ত ৰাজবংশই অনুসৰণ কৰিছিল আৰু ই মৌৰ্য সাম্ৰাজ্যৰ উত্তৰসূৰি হৈছিল। গুপ্ত ৰাজবংশৰ ক্ষেত্ৰতো সমগ্ৰ সাম্ৰাজ্য কিছুমান প্ৰদেশত আৰু প্ৰদেশসমূহ ৰিশ্যা (vishyas) বা মণ্ডল (mandals)ত বিভক্ত কৰা হৈছিল। 'বিষয়' সমূহৰ দায়িত্বত থকা ব্যক্তিক আয়ুক্ত বা বিষয়াপতি বোলা হৈছিল।

১.৩.২ মোগল যুগত লোক প্ৰশাসনৰ বিৱৰ্তন

মোগল সাম্ৰাজ্য স্থিতিশীল, নিয়মতান্ত্ৰিক আৰু সু-সংগঠিত আছিল আৰু এই শাসন ব্যৱস্থা তিনিশ বছৰতকৈ অধিক সময় প্ৰচলন আছিল। মোগল সাম্ৰাজ্যৰ মূল স্থপতিবিদ আছিল আকবৰ যিয়ে তেওঁৰ পূৰ্বপুৰুষ বাবৰ আৰু হুমায়ূনৰ পৰা লাভ কৰা প্ৰশাসন দক্ষতাৰে পৰিচালনা কৰিছিল। মোগল শাসন কালৰ প্ৰশাসনিক কাৰ্যসমূহ সাধাৰণতে জনসাধাৰণক সামাজিক সেৱা প্ৰদান কৰাৰ ক্ষেত্ৰতে জৰিত আছিল। বিশেষকৈ, সেই সময়ছোৱাত স্বাস্থ্য আৰু জনকল্যাণৰ ওপৰত সৰ্বাধিক

গুৰুত্ব আৰোপ কৰা হৈছিল। সেই সময়ত ৰাষ্ট্ৰ ইছলামিক বৈশিষ্ট্যৰ আছিল আৰু কৰৰোপন, শাসন, গীৰ্জাৰ নীতি, চৰকাৰৰ নীতি আদি বিভিন্ন ধৰণৰ প্ৰশাসনিক কাৰ্য ৰূপায়ন কৰিছিল। এই কাৰ্যসমূহ ৰূপায়নৰ বাবে সেই সময়ত বিষয়াসকলক ইৰাণ আৰু ইজিপ্তৰপৰা অনা হৈছিল আৰু মাত্ৰ এক বুজন সংখ্যক হিন্দুকহে যোগ্যতাৰ ভিত্তিত হিন্দু নিয়োজিত কৰা হৈছিল। ৰজা আছিল সাৰ্বভৌম কৰ্তৃপক্ষ আৰু মন্ত্ৰীসকলে তেওঁক বিভিন্ন কাৰ্যত সহায় কৰিছিল। ৰজাক প্ৰশাসন পৰিচালনাৰ সুবিধাৰ্থে বিভিন্ন বিভাগ সৃষ্টি কৰি ইয়াৰ মূৰব্বীসকলক নিযুক্তি দিয়া হৈছিল। উদাহৰণস্বৰূপে, ৰজাক বিত্ত আৰু খাজনা সম্পৰ্কীয় কাৰ্যত সহায় কৰিবৰ বাবে মূৰব্বী হিচাবে 'দেৱান' সামৰিক কাৰ্যত সহায় কৰিবৰ বাবে মুৰব্বী হিচাবে 'মিৰ বক্সি', ভঁৰাল তত্ত্বাৱধায়ক হিচাবে 'মিৰ চমান', ৰাজকীয় আৰু বিচাৰ বিভাগৰ মুৰব্বী হিচাবে সদৰ-উচ-সুদূৰ', আদি বিষয়াসকলক নিযুক্তি দিছিল।

ৰজাৰ দায়িত্ব আছিল ৰাষ্ট্ৰৰ আইন-শৃংখলা অটুত ৰখা, ৰাষ্ট্ৰৰ নিৰাপত্তা সুনিশ্চিত কৰা, ৰাষ্ট্ৰৰ চাৰিসীমা অক্ষুণ্ণ ৰখা আৰু লগতে খাজনা আৰু কৰ সংগ্ৰহ কৰা।

প্ৰশাসনিক ব্যৱস্থা অধিক্ৰম পদ্ধতিৰ আছিল অৰ্থাৎ এনে প্ৰশাসনিক ব্যৱস্থাত বিষয়াসকলক পদমৰ্যদা অনুসৰি উচ্চ পৰ্যায়ৰ বিষয়াৰপৰা নিম্ন পৰ্যায়লৈ সজোৱা হৈছিল। মোগল সাম্ৰাজ্যৰ সেনা-বাহিনী মনচবদাৰী পদ্ধতিৰ ভিত্তিত গঠিত হৈছিল। এই পদ্ধতিত সেনা-বাহিনীৰ একো একোটা গোট পৰিচালনাৰ বাবে সামৰিক জেনেৰেলৰ ব্যৱস্থা আছিল। 'মনচব' শব্দটোৰ অৰ্থ হ'ল চৰকাৰী পদত অধিষ্ঠিত ব্যক্তি। আকবৰ আছিল এই ব্যৱস্থাৰ উদ্ভাৱক। এই ব্যৱস্থাৰ অধীনত প্ৰত্যেক সামৰিক আৰু অসামৰিক বিষয়াক একো একোটকৈ 'মনচব' পদ দিয়া হৈছিল। গাঁও পৰ্যায়ত গাঁৱৰ মুখিয়ালক গাঁৱৰ সকলো বিষয়ৰ ক্ষমতা অৰ্পন কৰিছিল আৰু তেওঁক সহায় কৰিবলৈ তলতীয়া বিষয়া নিযুক্তি দিয়া হৈছিল। সেইদৰে ডাঙৰ নগৰ আৰু চহৰৰ দায়িত্বৰ কটৱাল (Kotwal) নিযুক্তি দিয়া হৈছিল। ইয়াৰ উপৰিও ৱাজিৰ (Wazir) নিযুক্তি দিয়া হৈছিল যিয়ে প্ৰধানমন্ত্ৰী আৰু ৰাজহবিভাগৰ মুৰব্বী হিচাবে কাৰ্য ৰূপায়ন কৰিছিল। মুখ্য দেৱালৰ দায়িত্বত ৰাজহ সংগ্ৰহৰ পৰ্যবেক্ষণ হৈছিল আৰু তেওঁক আন তলতীয়া দেৱানসকলে সহযোগ কৰিছিল। প্ৰদেশ (চুবা)সমূহ চোৱা-চিতা কৰাৰ উদ্দেশ্যে ৰজাই চুবেদাৰ বা গৰ্ভনৰ নিযুক্তি দিছিল। মোগল সাম্ৰাজ্যৰ ন্যায়িক বিষয় চোৱা-চিতা কৰাৰ উদ্দেশ্যে সদৰ আৰু কাজী (Sadr and Qazi) আছিল।

সমগ্ৰ মোগল প্ৰশাসন 'চুবা' বা প্ৰদেশত আকৌ প্ৰদেশসমূহ চৰকাৰ, চৰকাৰ আকৌ পৰগনাত আৰু পৰগনা আকৌ 'চকলা'ত বিভক্ত কৰা হৈছিল।

১.৩.৩ বৃটিছ কালত লোক প্ৰশাসনৰ বিৱৰ্তন

বৰ্তমান ভাৰতবৰ্ষত প্ৰচলন থকা প্ৰশাসনৰ ইতিহাস চালে দেখা যায় যে ভাৰত উপমহাদেশত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বেপাৰ বাণিজ্যৰ উদ্দেশ্যে আৰু পৰৱৰ্তী পৰ্যায়ত চৰকাৰ শাসন কৰাৰ উদ্দেশ্যে যি প্ৰশাসন পৰিচালিত কৰিছিল তাৰ অনুৰূপ ব্যৱস্থাই এতিয়াও প্ৰচলিত হৈ আছে। ভাৰতবৰ্ষৰ প্ৰশাসনৰ বিৱৰ্তনৰ ক্ষেত্ৰত সেই সময়ৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্নৱালিছৰ ভূমিকা আছিল অতি গুৰুত্বপূৰ্ণ। তেওঁ প্ৰশাসনক সু-সংগঠিত ৰূপত গঢ় দিছিল। তেৱেঁই অসামাৰিক সেৱাৰ পৰিচালনাৰ বিধি ন্যায়াধীশৰ কাৰ্যালয় স্থাপন কৰিছিল। এনে প্ৰচেষ্টাৰ বাবেই তেখেতক আধুনিক অসামৰিক সেৱা ব্যৱস্থাৰ পিতৃ আখ্যা দিয়া হয়। গৱৰ্ণৰ জেনেৰেল লৰ্ড ওৱেলেছলিৰ কাৰ্যকালত মুখ্য সচিবৰ কাৰ্যালয় ১৭৯৯ত স্থাপন কৰা হৈছিল। এই সময়ছোৱাত ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিষয়াসকলে মূলতঃ স্থানীয় ৰাজ্যৰ বিভিন্ন আঁচনিৰ ওপৰত অধিক মনোনিৱেশ কৰিছিল আৰু হস্তক্ষেপ কৰাৰ অধিকাৰৰ ওপৰত গুৰুত্ব দিছিল। গৱৰ্ণৰ জেনেৰেল লৰ্ড বেণ্টিংকৰ শাসন কালত কমিচনাৰৰ কাৰ্যালয় স্থাপিত হৈছিল আৰু সচিবালয়ৰ বিভাগীয় ব্যৱস্থা কৰা হৈছিল। ১৮৩৩ চনত চাৰ্টাৰ আইন গৃহীত হৈছিল আৰু ইয়াৰ দ্বাৰা বংগৰ গৱৰ্ণৰ জেনেৰেলক ভাৰতবৰ্ষৰ গৱৰ্ণৰ জেনেৰেল হিচাপে নিযুক্তি দিছিল। ১৮৩৩ চনৰ চাটচ্ছাৰ আইনক কেন্দ্ৰীয়কৰণৰ প্ৰথম পদক্ষেপ হিচাপে বিবেচনা কৰা হৈছিল। ১৮৪৪ চনত বিত্ত, গৃহ, বৈদেশিক পৰিক্ৰমা আৰু সামৰিক এই চাৰিটা বিভাগ স্থাপন কৰা হৈছিল আৰু পৰৱৰ্তী পৰ্যায়ত ডাক-তাৰ বাৰ্তা, ৰেল, ৰাজহুৱা কাৰ্য ইত্যাদি বিভাগসমূহ স্থাপন কৰিছিল। এই বিভাগসমূহ স্থাপনৰ দ্বাৰা বৃটিছসকলে ভাৰতবৰ্ষত এক শক্তিশালী স্থিতি লাভ কৰিবলৈ সক্ষম হৈছিল। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰপৰা ভাৰতীয় প্ৰশাসন ব্যৱস্থা বৃটিছ ৰাজসত্তাৰ অধীনলৈ যোৱাৰ লগে লগে কিছু প্ৰশাসনিক পৰিৱৰ্তন ভাইচৰয় পদলৈ পৰিৱৰ্তন কৰা হৈছিল। আৰু সামৰিক বাহিনী জাতি আৰু ধৰ্মৰ ভিত্তিত গঠিত কৰা হৈছিল। ১৮৬০ চনত 'ফৌজদাৰী প্ৰক্ৰিয়া আইন' বৃটিছ সংসদত গৃহীত হৈছিল আৰু যাৰ জৰিয়তে ভাৰতবৰ্ষৰ ফৌজদাৰী গোচৰৰ ন্যায়ৰ ক্ষেত্ৰত সমৰূপতা প্ৰতিষ্ঠা কৰা হৈছিল। সেই সময়ত অস্ত্ৰ আইন, দেশীয় ছপা মাধ্যম আইন, সম্পৰ্ক বিধি, স্থানান্তৰ অধিকাৰ আইন, প্ৰস্তুত কৰি বৃটিছ প্ৰশাসনীয় যন্ত্ৰ সুচাৰুৰূপে চলাৰ ব্যৱস্থা কৰিছিল। আকৌ ভাৰতীয়সকলক ভাৰতীয় প্ৰশাসনীয় সেৱাত অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে এইটশ্চিচন (Aitchison) নামে এখন আয়োগ গঠন কৰা হৈছিল আৰু এই আয়োগে ভাৰতীয় প্ৰশাসনিক সেৱাত প্ৰতিযোগিতামূলক পৰীক্ষাৰ জৰিয়তে ২৫ শতাংশ ভাৰতীয় লোক অন্তৰ্ভুক্ত কৰাৰ পৰামৰ্শ আগবঢ়াইছিল। ১৯১৯ চনৰ ভাৰত শাসন আইনৰ জৰিয়তে 'সাম্ৰাজ্য

প্ৰশাসনীয় সেৱা'ৰ পৰিৱৰ্তে প্ৰশাসনীয় সেৱাক দুটা গোটত ভাগ কৰিছিল। এই গোট দুটা আছিল সৰ্বভাৰতীয় সামাৰিক সেৱাসমূহ আৰু কেন্দ্ৰীয় সেৱাসমূহ। ভাইচৰয় লৰ্ড কানিংৰ সময়ছোৱাত 'দপ্তৰ' ব্যৱস্থাৰ আৰম্ভণি হৈছিল য'ত ভাইচৰয়ৰ কাৰ্যবাহী পৰিষদৰ প্ৰত্যেক সদস্যই এটা বা ততোধিক দপ্তৰ লাভ কৰিছিল।

১৮৭০ চনত সেই সময়ৰ ভাইচৰয় লৰ্ড মেৰোই পোন প্ৰথমে স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থা প্ৰৱৰ্তনৰ প্ৰচেষ্টা হাতত লৈছিল। আৰু ১৮৮২ চনত জনপ্ৰিয় ভাইচৰয় লৰ্ড ৰিপনে স্থানীয় স্বায়ত্ত শাসন প্ৰৱৰ্তনৰ প্ৰস্তাৱ গ্ৰহণ কৰে আৰু এই প্ৰস্তাৱৰ আধাৰত প্ৰৱৰ্তন কৰা স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থা ১৯৪৭ চনলৈকে প্ৰৱৰ্তিত আছিল। ১৯১৯ চনত দ্বি-সদনীয় বিধান মণ্ডলৰ আৰম্ভণি হৈছিল আৰু ক্ষমতা কেন্দ্ৰ আৰু প্ৰদেশসমূহৰ মাজত পৃথক কৰা হৈছিল। সেইদৰে ১৯৩৫ চনৰ ভাৰত শাসন আইনে প্ৰাদেশিক স্বায়ত্ত শাসন আৰু সৰ্বভাৰতীয় সংঘ প্ৰতিষ্ঠাৰ পথ প্ৰশস্ত কৰি তুলিছিল। এই আইনে প্ৰদেশসমূহত দ্বৈত শাসন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল। দ্বৈত শাসন ব্যৱস্থাৰ নীতি অনুসৰি প্ৰত্যেক প্ৰদেশৰ কাৰ্যবাহী গোটক কতৃত্ববাদী আৰু জনপ্ৰিয়তাৰে দায়বদ্ধ বিভাগ এই দুটা ভাগত ভাগ কৰা হৈছিল। প্ৰথমটো গঠিত হৈছিল কাৰ্যবাহী পৰিষদৰ সদস্যৰ দ্বাৰা যাক ৰাজমুকুটে নিযুক্তি দিছিল। দ্বিতীয়টো মন্ত্ৰীসকলক লৈ গঠিত হৈছিল যিসকলক গৱৰ্ণৰে প্ৰদেশসমূহৰ নিৰ্বাচিত সদস্যৰ মাজৰপৰা বাচনি কৰিছিল। এই মন্ত্ৰীসকল ভাৰতীয় আছিল। যুক্তৰাষ্ট্ৰীয় শাসনৰ অধীনত প্ৰশাসনিক ব্যৱস্থা অধিক ফলপ্ৰসু কৰাৰ উদ্দেশ্যে ক্ষমতা কেন্দ্ৰ আৰু প্ৰদেশসমূহৰ মাজত তিনিখন তালিকাৰ জৰিয়তে বিভক্ত কৰা হৈছিল। প্ৰথমখন আছিল যুক্তৰাষ্ট্ৰীয় তালিকা আৰু ইয়াত ৫৯টা বিষয় সন্নিৱিষ্ট কৰা হৈছিল, দ্বিতীয়খন আছিল প্ৰাদেশিক তালিকা আৰু ইয়াত প্ৰদেশসমূহৰ স্বাৰ্থৰ লগত জড়িত ৫৪টা বিষয় অন্তৰ্ভুক্ত কৰা হৈছিল আৰু তৃতীয়খন তালিকাত মুঠতে ৩৬টা বিষয় আছিল। সমৱৰ্তী তালিকাৰ বিষয়সমূহৰ ওপৰত কেন্দ্ৰ আৰু প্ৰদেশ উভয়ৰে অধিকাৰ আছিল। ভাৰতীয় প্ৰশাসনিক ব্যৱস্থাৰ বিবৰ্তনৰ ইতিহাসত কেবিনেট মিছন আঁচনিৰ বিষয়েও উল্লেখ কৰিব পাৰি কিয়নো এই আঁচনিৰ অধীনত পণ্ডিত জৱাহৰলাল নেহৰুক উপ-সভাপতি হিচাপে লৈ অন্তৱৰ্তী চৰকাৰ গঠন কৰা হৈছিল। ১৯৪৭ চনৰ ১৮ জুলাই তাৰিখে ভাৰতীয় স্বাধীনতা আইন গৃহীত হয় আৰু ভাৰতবৰ্ষই ১৫ আগষ্ট তাৰিখে স্বাধীনতা লাভ কৰে। ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতীয় সংবিধান বলৱৎ হোৱাৰ লগে লগে ভাৰতীয় গণৰাজ্যই স্বীকৃতি লাভ কৰে।

১.৩.৪ স্বাধীনোত্তৰ ভাৰতবৰ্ষত লোক প্ৰশাসনৰ বিৱৰ্তন

১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখৰ পৰা স্বাধীন ভাৰতত সংবিধান বলৱৎ হয়। বৃটিছ শাসনৰ অৱসান ঘটে যদিও প্ৰত্যেক ভাৰতীয়ই দেশৰ চুকে-কোণে আনন্দ

উদ্‌যাপন কৰিছিল তথাপিও কিন্তু সকলোৱে উপলব্ধি কৰিছিল যে ভাৰতীয় প্ৰশাসন বৰ্তী থাকিবলৈ হ'লে বৃটিছ প্ৰশাসনীয় ব্যৱস্থাৰ আৰ্হি অনুসৰণ কৰিবই লাগিব। এনে কাৰণতে কিছু সংশোধন সাপেক্ষে বৃটিছ প্ৰশাসনীয় ব্যৱস্থা গ্ৰহণ কৰা হয়। উদাহৰণস্বৰূপে— সংসদীয় শাসন ব্যৱস্থা, যুক্তৰাষ্ট্ৰীয় গাঁথনি, ৰাজ্যসমূহৰ বাবে ৰাজ্যপালৰ নিযুক্তি, সচিবালয়ৰ পদ্ধতি, কেন্দ্ৰ ৰাজ্যৰ সম্পৰ্ক, অসামৰিক সেৱা, কামৰ পদ্ধতি, আইনৰ শাসন, স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থা ইত্যাদি অনুৰূপ ব্যৱস্থা।

স্বাধীন ভাৰতৰ প্ৰশাসনিক ব্যৱস্থাত বৃটিছ শাসন কালত প্ৰৱৰ্তন কৰা অনুৰূপ ব্যৱস্থাই বলৱৎ কৰা হৈছে। বৃটিছ শাসন কালত প্ৰশাসনৰ সুবিধাৰ্থে প্ৰদেশসমূহ কিছুমান জিলাত আকৌ জিলাসমূহ মহকুমাত, মহকুমা আকৌ ৰাজহ চক্ৰত, ৰাজহ চক্ৰ আকৌ মৌজাত আৰু একেবাৰে শেষত মৌজাসমূহ পুনৰ কিছুমান গাঁৱত বিভক্ত কৰিছিল। বৃটিছ, শাসনকালত জিলাৰ প্ৰশাসনৰ এটা গুৰুত্বপূৰ্ণ গোট হিচাপে গণ্য কৰা হৈছিল। বৰ্তমানো জিলা প্ৰশাসনৰ সফলতাৰ ওপৰতেই চৰকাৰৰ সফলতা নিৰ্ভৰ কৰে। চৰকাৰৰ সকলো আঁচনি আৰু কৰ্মসূচী ৰূপায়নৰ বাবে ৰাজ্যিক প্ৰশাসন দায়বদ্ধ বিশেষকৈ আইন শৃংখলা, ন্যায়িক প্ৰশাসন, সামাজিক নিৰাপত্তা, জনসাধাৰণৰ স্বাস্থ্য, শিক্ষা আৰু কৃষি ইত্যাদি। উপায়ুক্তৰ কাৰ্যালয়ৰ উদ্ভাৰক হ'ল বৃটিছ শাসন ব্যৱস্থা। জিলা প্ৰশাসনৰ মূল গোট হ'ল উপায়ুক্তৰ কাৰ্যালয় আৰু উপায়ুক্তই ৰাষ্ট্ৰীয় পৰ্যায়ত জিলাখনক প্ৰতিনিধিত্ব কৰে।

স্বাধীনতাৰ পিছতো উপায়ুক্তৰ জিলা প্ৰশাসনৰ সৰ্বোচ ক্ষমতাশালী কৰ্তৃত্ব হিচাপে স্বীকৃতি দিয়া হৈছে। উপায়ুক্তৰ অধীনত একোখন জিলাৰ আন সকলো বিভাগ আৰু বিষয়া পৰিচালিত হয়। দক্ষতাৰে জিলা প্ৰশাসন পৰিচালিত কৰাটো উপায়ুক্তৰৰ গুৰু দায়িত্ব। জনসাধাৰণৰ আশা-আকাংক্ষা পুৰণ কৰাৰ উদ্দেশ্যে আৰু পৰিৱৰ্তিত ব্যৱস্থাত মিলিব পৰা ধৰণে বৃটিছ প্ৰশাসনীয় ব্যৱস্থাৰ কিছু সংশোধন কৰি ভাৰতীয় প্ৰশাসনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছিল।

পৰিৱৰ্তিত সমাজ ব্যৱস্থাৰ সতে খোজ মিলাব পৰাকৈ আগবাঢ়িবলৈ পৰামৰ্শ দিবৰ বাবে বিভিন্ন আয়োগ আৰু কমিটী গঠন কৰা হৈছিল। এই আয়োগ সমূহৰ ভিতৰত উল্লেখযোগ্য আছিল প্ৰথম প্ৰশাসনীয় সংস্থাৰ আয়োগ আৰু দ্বিতীয় প্ৰশাসনীয় সংস্কাৰ আয়োগ ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ হিন্দু ধৰ্মৰ মতে, মনু হ'ল প্ৰথম ৰজা। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ২ ঃ মৌৰ্য সময়ছোৱাত ভাৰতীয় প্ৰশাসনৰ গুৰুত্বপূৰ্ণ বিকাশ লাভ কৰে এই সময়ছোৱাৰ প্ৰশাসনৰ মূল ভিত্তি আছিল..... (খালী ঠাই পূৰ কৰক)

প্ৰশ্ন নং ৩ ঃ মোগল যুগত বিত্ত আৰু খাজনাৰ দায়িত্বত থকা বিষয়াজনক কি বুলি জনা গৈছিল?

.....

.....

প্ৰশ্ন নং ৪ ঃ ভাৰতবৰ্ষত মুখ্য সচিবৰ কাৰ্যালয় ..... গৱৰ্ণৰ দিনত ১৭৯৯ চনত স্থাপন কৰা হৈছিল। (খালী ঠাই পূৰ কৰা)

প্ৰশ্ন নং ৫ ঃ স্বাধীনতাৰ পাছতো উপায়ুক্তক জিলাখনৰ সৰ্বোচ্চ ক্ষমতাশালী কতৃত্ব হিচাপে স্বীকৃতি দিয়া হয়। (শুদ্ধ/অশুদ্ধ)



১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বৰ্তমান ভাৰতবৰ্ষত চলি থকা প্ৰশাসন ব্যৱস্থাৰ মূল হ'ল প্ৰাচীন ভাৰতীয় শাসন ব্যৱস্থা। প্ৰাচীন কালত ৰজাই শাসন কৰিছিল আৰু চৰকাৰ ৰাজতান্ত্ৰিক বৈশিষ্ট্যৰ আছিল।
- চৰকাৰৰ কাৰ্য ৰূপায়নৰ ক্ষেত্ৰত ৰাজতান্ত্ৰিক ব্যৱস্থাৰ প্ৰচলন আছিল য'ত সকলো ক্ষমতা ৰজাৰ হাতত কেন্দ্ৰীভূত হৈ আছিল। সেই সময়ত প্ৰশাসনৰ সকলো ক্ষমতা একমাত্ৰ ৰজাৰ হাতত ন্যস্ত আছিল আৰু ৰজাক কিছু সংখ্যক পৰামৰ্শকে সহায় কৰিছিল।
- এনে প্ৰশাসনৰ বিষয়ে ৰামায়ণ, মহাভাৰতৰ দৰে মহাকাব্যৰ উপৰিও মনুস্মৃতি আৰু শুক্ৰানীতিত উল্লেখ পোৱা যায়। এনে ক্ষেত্ৰত কৌটিল্যৰ অৰ্থশাস্ত্ৰ হ'ল এক উল্লেখযোগ্য গ্ৰন্থ য'ত প্ৰাচীন প্ৰশাসনিক ব্যৱস্থাৰ বিষয়ে বিতংভাৱে উল্লেখ আছে।
- বৈদিক যুগৰ আৰম্ভণি সময়ছোৱাত প্ৰশাসন ব্যৱস্থা এনে আছিল যে জনসাধাৰণে তেওঁলোকৰ মুখিয়াল জনক নিৰ্বাচিত কৰিছিল আৰু এই মুখিয়াল জনে জনজাতিটোৰ প্ৰশাসন ব্যৱস্থা পৰিচালিত কৰিছিল। সেই সময়ত কিন্তু ভূমি অধিগ্ৰহণ বা খাজনা সম্বন্ধীয় কোনো ব্যৱস্থা নাছিল।
- মনু (প্ৰকৃত নাম সত্যব্ৰত)ৰ সময়তে আমি প্ৰথমে 'ৰাষ্ট্ৰ'ৰ গঠন দেখিবলৈ পাওঁ। হিন্দু ধৰ্মৰ সতে মনু হ'ল প্ৰথম হিন্দু ৰজা আৰু হিন্দুত্ববাদক পূৰ্বসূৰি। এই সময়ত ৰজাক ঈশ্বৰিক জ্ঞান কৰিছিল আৰু ৰজাই তেওঁৰ প্ৰজাবিলাকক যত্ন লোৱাৰ উপৰিও সকলোৰে উন্নয়ন লগতে ন্যায় সুনিশ্চিত কৰিব লাগিছিল।
- ভাৰতবৰ্ষৰ প্ৰশাসনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ বিকাশ লাভ কৰে মৌয সময়ছোৱাত য'ত প্ৰশাসন বিকেন্দ্ৰী কৰণ নীতিৰ ওপৰত ভিত্তি কৰি পৰিচালিত হয় আৰু সমগ্ৰ সাম্ৰাজ্য কিছুমান প্ৰদেশত প্ৰদেশ আকৌ জিলাত, জিলা আকৌ গাঁও আৰু নগৰত বিভক্ত কৰা হৈছিল।
- মৌৰ্য সাম্ৰাজ্য প্ৰদেশত বিভক্ত কৰি পৰৱৰ্তী পৰ্যায়ত প্ৰদেশসমূহ জিলাত বিভক্ত কৰা

হৈছিল আৰু এইসমূহক অহৰ, বিষয় আৰু প্ৰদেশ বুলি জনা গৈছিল।

- অশোকৰ শিলালিপিত উল্লেখ পোৱা যায় যে প্ৰদেশ বা জিলা যিটো নেকি মৌৰ্য সাম্ৰাজ্যৰ অন্যতম প্ৰশাসনিক গোট আছিল ইয়াৰ উন্নয়নৰ বাবে প্ৰদেশক নিযুক্ত কৰা হৈছিল।
- প্ৰশাসনিক বা অসামৰিক বিষয়া সকলক মৌৰ্য বংশত 'আমত্য' বোলা হৈছিল। দেৱানী আৰু ফৌজদাৰী গোচৰৰ বিচাৰ কৰিবৰ বাবে আদালতৰ ব্যৱস্থা আছিল আৰু ইয়াক ধৰ্মস্থান বোলা হৈছিল। পৰৱৰ্তী পৰ্যায়ত অনুৰূপ আৰ্হিটো গুপ্ত ৰাজবংশই অনুসৰণ কৰিছিল আৰু ই মৌৰ্য সাম্ৰাজ্যৰ উত্তৰসূৰী হৈছিল।
- গুপ্ত ৰাজবংশৰ ক্ষেত্ৰতো সমগ্ৰ সাম্ৰাজ্য কিছুমান প্ৰদেশত আৰু প্ৰদেশ সমূহ 'বিষয়' বা 'মণ্ডল'ত বিভক্ত কৰা হৈছিল। 'বিষয়'সমূহৰ দায়িত্বত থকা ব্যক্তিক 'আয়ুক্ত' বা বিষয়াপতি' বোলা হৈছিল।
- মোগল সাম্ৰাজ্য স্থিতিশীল, নিয়মতান্ত্ৰিক আৰু সুসংগঠিত আছিল আৰু এই শাসন ব্যৱস্থা ৩০০ বছৰতকৈ অধিক সময় প্ৰচলন আছিল। মোগল সাম্ৰাজ্যৰ মূল স্থপতিবিদ আছিল আকবৰ যিয়ে তেওঁৰ পূৰ্বপুৰুষ বাবৰ আৰু হুমায়ুনৰ পৰা লাভ কৰা প্ৰশাসন দৰে পৰিচালনা কৰিছিল।
- সেই সময়ত ৰাষ্ট্ৰ ইছলামিক বৈশিষ্ট্যৰ আছিল আৰু কৰৰোপন, শাসন, গীৰ্জাৰ নীতি, চৰকাৰৰ নীতি আদি বিভিন্ন ধৰণৰ প্ৰশাসনিক কাৰ্য ৰূপায়ন কৰিছিল। এই কাৰ্যসমূহ ৰূপায়নৰ বাবে সেই সময়ত বিষয়া সকলক ইৰাণ আৰু ইজিপ্তৰ পৰা অনা হৈছিল আৰু মাত্ৰ এক বুজন সংখ্যক হিন্দুকহে যোগ্যতাৰ ভিত্তিত নিয়োজিত কৰা হৈছিল।
- ৰজা আছিল সাৰ্বভৌম কৰ্তৃপক্ষ আৰু মন্ত্ৰীসকলে তেওঁক বিভিন্ন কাৰ্যত সহায় কৰিছিল। ৰজাক প্ৰশাসন পৰিচালনাৰ সুবিধাৰ্থে বিভিন্ন বিভাগ সৃষ্টি কৰি ইয়াৰ মুৰব্বীসকলক নিযুক্তি দিয়া হৈছিল। উদাহৰণস্বৰূপে ৰজাক বিত্ত আৰু খাজনা সম্পৰ্কীয় কাৰ্যত সহায় কৰিবৰ বাবে মুৰব্বী হিচাপে 'দেৱান' সামৰিক কাৰ্যত সহায় কৰিবৰ বাবে মুৰব্বী হিচাবে 'মিৰ বক্সি', ভঁৰাল তত্ত্বাৱধায়ক হিচাপে 'মিৰ চমান' ৰাজকীয় আৰু বিচাৰ বিভাগৰ মুৰব্বী হিচাবে 'সদৰ উচ্ সুপুৰ', আদি বিষয়া সকলক নিযুক্তি দিছিল।
- প্ৰশাসনিক ব্যৱস্থা অধিক্ৰম পদ্ধতিৰ আছিল অৰ্থাৎ এনে প্ৰশাসনিক ব্যৱস্থাত বিষয়াসকলক পদমৰ্যদা অনুসৰি উচ্চ পৰ্যায়ৰ বিষয়াৰপৰা নিম্ন পৰ্যায়লৈ সজোৱা হৈছিল।
- মোগল সাম্ৰাজ্যৰ সেনা বাহিনী 'মনচবদাৰী' পদ্ধতিৰ ভিত্তিত গঠিত হৈছিল আৰু সেনা-বাহিনীৰ একো একোটা গোট পৰিচালনাৰ বাবে সামৰিক জেনেৰেলৰ ব্যৱস্থা আছিল।
- মোগল সাম্ৰাজ্য ৰাজিৰক নিযুক্তি দিয়া হৈছিল যিয়ে প্ৰধানমন্ত্ৰী আৰু ৰাজহ বিভাগত মুৰব্বী হিচাপে কাৰ্য ৰূপায়ন কৰিছিল।

- সমগ্ৰ মোগল প্ৰশাসন 'চুবা' বা 'প্ৰদেশ'ত আকৌ প্ৰদেশসমূহ চৰকাৰ, চৰকাৰ আকৌ পৰগনাত আৰু পৰগনা আকৌ 'চকলা'ত বিভক্ত কৰা হৈছিল।
- বৰ্তমান ভাৰতবৰ্ষত প্ৰচলন থকা প্ৰশাসনৰ ইতিহাস চালে দেখা যায় যে ভাৰত উপমহাদেশত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বেপাৰ বাণিজ্যৰ উদ্দেশ্যে আৰু পৰৱৰ্তী পৰ্যায়ত চৰকাৰ শাসন কৰাৰ উদ্দেশ্যে যি প্ৰশাসন পৰিচালিত কৰিছিল তাৰ অনুৰূপ ব্যৱস্থাই এতিয়াও প্ৰচলিত হৈ আছে।
- ভাৰতবৰ্ষৰ প্ৰশাসনৰ বিৱৰ্তনৰ ক্ষেত্ৰত সেই সময়ৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্নৱালিছৰ ভূমিকা আছিল অতি গুৰুত্বপূৰ্ণ। তেওঁ প্ৰশাসনক সু-সংগঠিত ৰূপত গঢ় দিছিল। তেৱেই অসামৰিক সেৱাৰ পৰিচালনাৰ বিধি আৰু নিয়ম-কানুনৰ লগতে উপায়ুক্ত আৰু জিলা ন্যায়াধীশৰ কাৰ্যালয় স্থাপন কৰিছিল। এনে প্ৰচেষ্টাৰ বাবেই তেখেতক আধুনিক অসামৰিক সেৱা ব্যৱস্থাৰ পিতৃ আখ্যা দিয়া হয়।
- গৱৰ্ণৰ জেনেৰেল লৰ্ড ওৱেলেছলি'ত কাৰ্যকালত মুখ্য সচিবৰ কাৰ্যালয় (১৭৯৯) স্থাপিত হৈছিল।
- গৱৰ্ণৰ জেনেৰেল লৰ্ড বেণ্টিংকৰ শাসন কালত কমিচনাৰৰ কাৰ্যালয় স্থাপিত হৈছিল আৰু সচিবালয়ৰ বিভাগীয় ব্যৱস্থা কৰা হৈছিল।
- ১৯১৯ চনৰ ভাৰত শাসন আইনৰ জৰিয়তে 'সাম্ৰাজ্য প্ৰশাসনীয় সেৱা'ৰ পৰিৱৰ্তে প্ৰশাসনীয় সেৱাক দুটা গোটত ভাগ কৰিছিল। এই গোট দুটা আছিল সৰ্বভাৰতীয় অসামৰিক সেৱাসমূহ আৰু কেন্দ্ৰীয় সেৱাসমূহ। ভাইচৰয় লৰ্ড কানিংৰ সময়ছোৱাত 'দপ্তৰ' ব্যৱস্থাৰ আৰম্ভণি হৈছিল য'ত ভাইচৰয়ৰ কাৰ্যবাহী পৰিষদৰ প্ৰত্যেক সদস্যই এটা বা ততোধিক দপ্তৰ লাভ কৰিছিল।
- ১৮৭০ চনত সেই সময়ৰ ভাইচৰয় লৰ্ড মেৰোই পোন প্ৰথমে স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থা প্ৰৱৰ্তনৰ প্ৰচেষ্টা হাতত লৈছিল। আৰু ১৮৮২ চনত জনপ্ৰিয় ভাইচৰয় লৰ্ড ৰিপচন স্থানীয় স্বায়ত্ত শাসন প্ৰৱৰ্তনক প্ৰস্তাৱ গ্ৰহণ কৰে আৰু এই প্ৰস্তাৱৰ আধাৰত প্ৰৱৰ্তন কৰা স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থা ১৯৪৭ চনলৈকে প্ৰৱৰ্তিত আছিল।
- ১৯১৯ চনত দ্বি-সদনীয় বিধানমণ্ডলৰ আৰম্ভণি হৈছিল আৰু ক্ষমতা কেন্দ্ৰ আৰু প্ৰদেশসমূহৰ মাজত পৃথক কৰা হৈছিল।
- সেইদৰে ১৯৩৫ চনৰ ভাৰত শাসন আইনে প্ৰাদেশিক স্বায়ত্ত শাসন আৰু সৰ্বভাৰতীয় সংঘ প্ৰতিষ্ঠাৰ পথ প্ৰশস্ত কৰি তুলিছিল। এই আইনে প্ৰদেশসমূহত দ্বৈত শাসন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল।
- ১৯৪৭ চনৰ ১৮ জুলাই তাৰিখে ভাৰতীয় স্বাধীনতা আনি গৃহীত হয় আৰু ভাৰতবৰ্ষই ১৫ আগষ্ট তাৰিখে স্বাধীনতা লাভ কৰে। ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতীয় সংবিধান বলৱৎ হোৱাৰ লগে লগে ভাৰতীয় গণৰাজ্যই স্বীকৃতি লাভ কৰে।
- ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে আৰু ১৯৫০ চনৰ

২৬ জানুৱাৰী তাৰিখৰপৰা স্বাধীন ভাৰতৰ সংবিধান বলৱৎ হয়। প্ৰশাসনী ব্যৱস্থা সুচাৰুৰূপে পৰিচালনা কৰাৰ উদ্দেশ্যে বৃটিছ প্ৰশাসনীয় ব্যৱস্থাৰ আৰ্হি অনুসৰণ কৰাটোৰ প্ৰয়োজনীয়তা আহি পৰিছিল। এনে কাৰণতে কিছু সংশোধন সাপেক্ষে বৃটিছ প্ৰশাসনীয় ব্যৱস্থাৰ অনুৰূপ আৰ্হি ভাৰতীয় প্ৰশাসনত গ্ৰহণ কৰা হৈছিল।

- জনসাধাৰণৰ আশা-আকাংক্ষা পুৰণ কৰাৰ উদ্দেশ্যে আৰু পৰিৱৰ্তিত ব্যৱস্থাত মিলিব পৰা ধৰণে বৃটিছ প্ৰশাসনীয় ব্যৱস্থাৰ কিছু সংশোধন কৰি ভাৰতীয় প্ৰশাসনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। পৰিৱৰ্তিত সমাজ ব্যৱস্থাৰ স'তে খোজ মিলাব পৰাকৈ আগবাঢ়িবলৈ পৰামৰ্শ দিবৰ বাবে বিভিন্ন আয়োগ আৰু কমিটী গঠন কৰা হৈছিল। এই আয়োগসমূহৰ ভিতৰত উল্লেখযোগ্য আছিল প্ৰথম প্ৰশাসনীয় সংস্কাৰ আয়োগ ইত্যাদি।



১.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। স্নাতক মহলাৰ লোক প্ৰশাসন — ড° কৃপেশচন্দ্ৰ পাল, অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক।

২। স্নাতক লোক প্ৰশাসন — ড° নিৰু হাজৰিকা।

৩। লোক প্ৰশাসন পৰিচয় — পুৰন্দৰ গগৈ।

ইংৰাজী গ্ৰন্থ ঃ

1) Avasthi, Amreswar, & Avasthi, Anand Prakash (1999).*Indian Administration.* Agra:Lakshmi Narain Agarwal.

2) Bhagwan, Vishnoo, & Bhushan, Vidya.(2007). *Public Administration*. New Delhi:S.Chand & Company Ltd.

3) Maheshwari, S.R. (2003). *Indian Administration*. New Delhi:Orient Longman.

4) Sharma, Dr.M.P. , & Sadana, Dr.B.L. (2000). *Public Administration in Theory and Practice.* Allahabad: Kitab Mahal.